**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-12-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি চিৰাং, ধুবুৰী, কাৰ্বি আংলং, মাজুলী, শিৱসাগৰ, দক্ষিণ শালমৰা আৰু ওদালগুৰি জিলাত প্ৰজ্ঞান ভাৰতীকে ধৰি কেইবাখনো আঁচনি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীয়ে ৰূপায়ণ কৰিব।

মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত চিৰাং জিলাৰ কাজলগাঁৱৰ ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুটী আৰু আনন্দৰাম বৰুৱা বঁটাৰ অধীনত আৰ্থিক পুৰস্কাৰ প্ৰদান কৰিছে। মন্ত্ৰীগৰাকীয়ে বিয়লিৰ ভাগত বঙাইগাঁও আৰু ধুবুৰী জিলাত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মাজুলীত নন্দিতা গাৰ্লোছা, শিৱসাগৰত ডাঃ ৰণোজ পেগু, দক্ষিণ শালমৰাত কেশৱ মহন্ত, ওদালগুৰিত উৰ্খাও গৌৰা ব্ৰহ্ম আৰু কাৰ্বি আংলঙত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত স্কুটী আৰু আৰ্থিক পুৰস্কাৰ প্ৰদান কৰিব।

ooooo

অসম বিধানসভাৰ বাজেট অধিবেশন এইবাৰ এদিনৰ বাবে কোকৰাঝাৰত অনুষ্ঠিত হ'ব। বি টি চিৰ বিধায়িনী ভৱনত বাজেট অধিবেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অহা ফেব্ৰুৱাৰীত এদিনৰ বাবে হ'বলগীয়া এই বাজেট অধিবেশন ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হ'ব। এই উপলক্ষে কোকৰাঝাৰৰ বৌডোফা নগৰৰ বিধায়িনী ভৱনত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। বাজেট অধিবেশনৰ বাকী দিনকেইটাৰ কাৰ্যসূচী অসম বিধানসভাৰ নতুন ভৱনত অনুষ্ঠিত হ'ব বুলি অসম বিধানসভাৰ প্ৰেছ সচিবে জনাইছে।

oooooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ কোকৰাডাংগাৰ শিশুমাৰা পাৰঘাট এলেকাত ব্ৰহ্মপুত্ৰৰ খহনীয়াই সৃষ্টি কৰা পৰিস্থিতি আজি ৰাজহ মন্ত্ৰী কেশৱ মহন্তই পৰিদৰ্শন কৰে। জিলাখনৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্বত থকা শ্ৰী মহন্তই বাংলাদেশ সীমান্তৰ দ্বিতীয় শাৰীত সুৰক্ষাত নিয়োজিত অসম আৰক্ষীৰ সীমান্ত চকী নিৰ্মাণৰ বাবে জন প্ৰতিনিধি আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনা কৰি স্থান বাছনি কৰে। শ্ৰী মহন্তই পাৰঘাট এলেকাৰ সীমান্ত সুৰক্ষা বাহিনীৰ কৰ্তব্যৰত জোৱানসকলৰ সৈতেও মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে আজি হাটশিঙিমাৰীৰ কঠালবাৰীত নৱনিৰ্মিত জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় ভৱনটো উদ্বোধন কৰে।

oooooooo

ৰাজ্যৰ বিভিন্ন স্থানৰ লগতে কোকৰাঝাৰ জিলাতো কাইলৈৰ পৰা ২৪ নৱেম্বৰলৈ সুশাসন সপ্তাহ পালন কৰা হ'ব। এই সুশাসন সপ্তাহত বিভিন্ন ৰাজহুৱা অভিযোগসমূহৰ সমাধানৰ বাবে জিলাখনৰ সকলো বিভাগীয় কাৰ্যালয়ৰ লগতে ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। ৰাজহুৱা সেৱা উন্নীতকৰণৰ বাবে নাগৰিকসকলৰ অমীমাংসিত আবেদনসমূহ শীঘ্ৰেই নিষ্পত্তি কৰিবলৈ সকলো বিভাগকে নিৰ্দেশ দিয়া হৈছে।

oooooooo

আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে আজি নিচেই পুৱা ধুবুৰী আৰু কোকৰাঝাৰ জিলাত অভিযান চলাই নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী গোট জামাত-উল-মুজাহিদিনৰ সৈতে জড়িত ৮ জন সন্দেহযুক্ত জেহাদীক গ্ৰেপ্তাৰ কৰে। সূত্ৰৰ পৰা জানিব পৰা মতে কোকৰাঝাৰৰ জয়পুৰৰ নামপাৰাৰ পৰা চাৰিজন লোকক আৰু ধুবুৰী জিলাৰ বিলাসীপাৰাৰ খুলিগাঁৱৰ পৰা আন চাৰিজন জেহাদীক গ্ৰেপ্তাৰ কৰা হৈছে।

oooooooo

ব্ৰীছবেনত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন ক্ৰিকেট টেষ্ট আজি অমীমাংসিতভাৱে সমাপ্ত হৈছে। খেলখনৰ আজি অন্তিম দিনা ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত ৭ উইকেটৰ বিনিময়ত ৮৯ ৰান কৰি নাটকীয়ভাৱে ইনিংছ সমাপ্তি ঘোষণা কৰে আৰু ভাৰতক দ্বিতীয় ইনিংছত ২৭৫ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি কোনো উইকেট নেহেৰুৱাকৈ ৮ ৰান কৰা অৱস্থাত বৰষুণৰ বাবে খেলৰ সমাপ্তি ঘোষণা কৰা হয়। ইয়াৰ আগতে ভাৰতে কালি ৯ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৫২ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰি ২৬০ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ দশম উইকেটৰ যুটীত যশপ্ৰীত বুমৰা আৰু আকাশদ্বীপে মুঠ ৪৭ ৰান সংগ্ৰহ কৰে। ফলত ভাৰত অষ্ট্ৰেলিয়াতকৈ ১৮৫ ৰানত পিছপৰি থাকে। অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি বিপৰ্যয়ৰ সন্মুখীন হয় আৰু ৮৯ ৰানতে ৭ টা উইকেট হেৰুৱাই যদিও দলটোৰ অধিনায়ক পেট কামিংছে ইনিংছ সমাপ্তি ঘোষণা কৰে। ভাৰতৰ হৈ বুমৰাই ১৮ ৰানত তিনিটা উইকেট দখল কৰে। চিৰাজ আৰু আকাশদীপে দুটাকৈ উইকেট দখল কৰে। প্ৰথম ইনিংছত ছটা আৰু দ্বিতীয় ইনিংছত তিনিটা উইকেট দখল কৰা যশপ্ৰীত বুমৰাক মেন অব দা মেচ ঘোষণা কৰা হয়।

পাঁচখন খেলৰ শৃংখলাটোত দুয়োটা দলে ইতিমধ্যে একোখনকৈ খেলত জয় লাভ কৰিছে।

oooooo

বিশ্বৰ অন্যতম শ্ৰেষ্ঠ অফ স্পীনাৰ ৰবিচন্দ্ৰন অশ্বিনে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰিছে। ভাৰতৰ হৈ ৩৮ বছৰীয়া অশ্বিনে ১০৬ খন টেষ্ট খেলি ৫৩৭ টা উইকেট অধিকাৰ কৰিছিল। অনিল কুম্বলেৰ পাছত তেওঁ হৈছে টেষ্ট ক্ৰিকেটত ভাৰতৰ হৈ দ্বিতীয় সৰ্বাধিক উইকেট দখল কৰোতা। আজি ব্ৰীছবেনৰ গাবাত তৃতীয় টেষ্টৰ সামৰণিত ৰবিচন্দ্ৰন অশ্বিনে তেওঁৰ অৱসৰ গ্ৰহণৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। তেওঁৰ গৌৰৱোজ্জ্বল খেলুৱৈ জীৱনত অশ্বিনে ১১ খন টেষ্ট খেলত প্লেয়াৰ অব্ দা মেচ সন্মান অৰ্জন কৰিছিল। অল ৰাউণ্ডাৰ হিচাপেও পৰিচিত অশ্বিনে টেষ্ট ক্ৰিকেটত ছটা চেঞ্চুৰী আৰু ১০ টা হাফ চেঞ্চুৰীসহ মুঠ ৩ হাজাৰ ৫০৩ ৰান সংগ্ৰহ কৰিছিল। ভাৰতৰ হৈ খেলি তেওঁ বেটেৰে দলক বহুকেইবাৰ বিপদৰ পৰা উদ্ধাৰ কৰিছিল।

oooooooo

শ্ৰোতাসকলে বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কীয় যিকোনো অভিযোগ বা পৰামৰ্শ WHATSAPP NO. 98640-55566 আৰু স্থিৰ টেলিফোন নম্বৰ 0361-2660426 ত দিব পাৰিব।

oooooooo

সমাপ্ত